মহাপুৰুষ মাধৱদেৱ বিৰচিত

# ভটিমা

# BHATIMA

Composed by

## Mahāpuruṣa Mādhavadeva

# শ্ৰীকৃষ্ণায় নমঃ

## (১) গুৰু ভটিমা

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে[১] উপাম।
তোহাৰি চৰণকু[২] ৰেণু শত কোটি
বাৰেক কৰোহোঁ প্ৰণাম।।
দৰশিত সুন্দৰ গৌৰ কলেৱৰ
যৈচন[৩] সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ।।
বিনে অঙ্গ ভূষণ পেখি সুশোভন
গহীন[৪] গম্ভীৰ ধীৰমতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকহু[৫] জ্যোতি।।
লীলা গজগতি[৬] গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দ্দন কলিকো কালে

যাকু[৭] সম নাহি ধীৰ।।

যোহি নাৰায়ণ　　　　মায়া বিস্তাৰি

কৰু ত্রিজগত নিৰমাণ।

সনক সনাতন　　　　যোগী যাকেৰি

মহিমা কবহু নজান।।

সকল চৰাচৰ　　　　পালনকাৰী

যো হৰি দেৱকু[৮] দেৱা।

চতুৰ বয়ন শিৱ　　　　সুৰপতি যাকেৰি

কৰু নিত চৰণহি সেৱা।।

চাৰি বেদ　　　　শিৰোমণি মাজে

যাকেৰি চৰণ বিকাশ।

সোহি দেৱক　　　　কয়লি কলিতো[৯]

শঙ্কৰদেৱ পৰকাশ।।

ত্রিভুৱন বন্দন　　　　দৈৱকী নন্দন

যো হৰি মাৰল কংস।

জগজন তাৰণ　　　　দেৱ নাৰায়ণ

শঙ্কৰ তাকেৰি অংশ।।

মায়া নৰতনু　　　　ধৰি হৰি ভকতি

কয়লি বহু পৰচাৰ।

সৱ নৰ পাপ পয়োধি মজ্জল

তাহে কয়লি উদ্ধাৰ।।

অৱনিশি[১০] চাৰি বেদ বিচাৰি

বেকত কৰু[১১] হৰিনাম।

যাকেৰি বয়নে মিলাই গাই

পাই মনোৰথ কাম।।

পণ্ডিত মানী বেদ বখানি

গৰৱ কয়লি সৱ চূৰ।

গীত কৱিত্ব গুণ শঙ্কৰ দেৱৰ

কীৰিতি গয়ো বহুদূৰ।।

শ্ৰী যশ দান মান ভূতদায়া

সৱগুণ সম্পন্ন থিক।

ভকতক ভকতি দানে কৰু গুৰু

দায়া তনয় অধিক।।

হৰিকহু মূৰুতি সুৰুতি[১২] মন মগন

মজ্জল আনন্দ সিন্ধু।

ঐচন নিৰমল হৃদয়ে[১৩] বিকশিত

ভকত কুমুদ কুল ইন্দু।।
নিজকুল তাৰি ভকতি বিস্তাৰি
বান্ধল হৰিগুণ সেতু।
কলিযুগে পাপ পয়োধি সৱ নৰ
তাৰণ কাৰণ হেতু।।
ভকতি ভাণ্ডাৰ দ্বাৰ সৱ ছোড়ি
মুকুতি কয়লি উদাস।
এক শৰণ হৰি নাম ধৰমকহু[১৪]
ৰাজা কৰু পৰকাশ।।
কি কহব শঙ্কৰ দেৱক[১৫] মহিমা
জানি জ্ঞানী অন্ত নপাই।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখ সুখে পাই।।
মাধৱ দীন মূৰুখমতি কহয়
বাণী শুন সৱ লোই।
বিনে[১৬] গুৰুচৰণ ভকতি ৰকতি
মুকুতি কবহু নহোই।।
ওহি পৰম তত্ত্ব বেদকো[১৭] বাণী

জানি নৰ নকৰ বিৰাম।

ধৰমক কৰমক গৰৱক ছোড়ি

ডাকি বোলহু ৰাম ৰাম।।১।।❍

---

পা. ১।নাহি ২।চৰণক ৩।যৈচন ৪।গহন ৫।চান্দকহো ৬।গজপতি ৭।যাকো ৮।দেৱকো ৯।কলিকো ১০।অহনিশি ১১।কয়,কয়ো ১২।সুৰুচি, সুৰতি ১৩।হৃদয় ১৪।ধৰমকহো ১৫। দেৱৰ ১৬।বিনা ১৭।বেদকু।

## (২) দেৱ-ভটিমা

জয় জয় জগ জীৱন যাদৱ

কৃষ্ণ দেৱকু দেৱ।

কমল সম্ভৱ কৰত যাকৰ

চৰণৰজ নিত সেৱ।।

জননী সমতুল যোহি পুতনীক

মোক্ষপদ কৰু দান।

সোহি দয়াশীল দেৱ কৰু

অমল ভকতি বিধান।।

মঞ্চ বিঘটিয়ে চক্ৰবাতক

যোহি লেলহ প্ৰাণ।

ভঞ্জি তৰুবৰ যোহি অঘ বক

বৎস কৰু নিৰযাণ।।

কালী সৰ্পক দৰ্প দূৰ কয়

বহ্নিক কয়লি পান।

সোহি দয়াশীল দেৱ কৰু

অমল ভকতি বিধান।।

পতনী সৱকহু মানে বিপ্ৰক

কৰম মদ কৰু দূৰ।

মখ ভঙ্গে দেৱৰাজক

গৰৱক কয়লি চূৰ।।

তুলি মন্দৰ বাধি বৰিষণ

বাত ভয় কৰু ত্ৰাণ।

সোহি দয়াশীল দেৱ কৰু

অমল ভকতি বিধান।।

বিৰিন্দাবন মহ শাৰদ শশিনী

ৰজনী গোপিনী সঙ্গ।

বিৱিধ ৰতি ৰস দৰশিয়েকহু

মদন মান কৰু ভঙ্গ।।

মাৰি যক্ষক যোহি দেৱহৰি

কয়লি গোপিনীক ত্ৰাণ।

সোহি দয়াশীল দেৱ কৰু

অমল ভকতি বিধান।।

যোহি যাদৱ দেৱ নিৰমল

নগৰ সাগৰ মাজ।

তাৰি সন্তক দৈত্য দাৰণ

সাধি দেৱক কাজ।।

বীৰ সম্বৰ নৰক মতিমন্দ

শূৰ কৰু নিৰযাণ।

সোহি দয়াশীল দেৱ কৰু

অমল ভকতি বিধান।।

কেশী কুৱলয় মল্ল মুষ্টিক

কংস কূট চাণূৰ।

সল্ল তোসল্ল ঘাতি ক্ষিতিকহু

ভাৰ কয়লি দূৰ।।

মাতু পিতুক বন্ধ ছোড়ি

দুখ কৰু নিৰযাণ।

সোহি দয়াশীল দেৱ কৰু

অমল ভকতি বিধান।।

শাল্ব পৌণ্ড্রক দ্বিৱিদ জৰাসুত

বাণ বিদূৰথ ঘালিয়ে।

মাৰি শিশুপাল কৌৰৱ নাশি

পাণ্ডৱ পালিয়ে।।

আপন গুণ যশ ধৰম শিৰোমণি

থাপি গয়ো নিজথান।

সোহি দয়াশীল দেৱ কৰু

অমল ভকতি বিধান।।

আহে সামাজিক বুদ্ধজন

বাণী কৰু অৱদান।

ওহি কলিকো কালে নাহি–নাহি

ধৰম নাম সমান।।

কালে মলমতি কয়লি সৱকো

নাহি ধৰমক চিত।

পতনী ধন জন লোভে মলমতি

ভেলি পাষণ্ড ৰীত।।

ওহি বাণী হোই নোই

থিৰ মন কয় দেখ।

বিজুৰী সঞ্চাৰ জীৱন যৌৱন

সৱহু নীৰক ৰেখ।।

জানি হৰিপদ হৃদয়ে ধৰিকহু

জপহু ৰামক নাম।

মূৰুখ মাধৱ দীন কহয়ি

ডাকি বোলহু ৰাম ৰাম।।২।।❍

## (৩) দেৱ-ভটিমা

জয় জয় জীৱ সনাতন শিৱ।

সুৰাসুৰ দেৱ কৰু সব্ব সেৱ।।

তুহো বিনে কেৱ নাহি আন দেৱ।

দীন কহু নাথ।

যোড়ি যোড়হাত।।

কিছু পৰণাম।

তুৱা গুণনাম।।

আতি অনুপাম।

নাহিকে উপাম।।

সোহি মুহে নাম।

ৰহু অৱিৰাম।।

গোসাঞি গোপাল।

কৰু মেৰি ঐচন দায়াল কৃপাল।।

দয়াল সয়ল।

ভুৱন বিনোদ।।

বিলাস বিহাৰ।

যাহেৰ উদাৰ।।

চৰিত্ৰ পৱিত্ৰ।

পতিত পৰিত্ৰ।।

শ্ৰৱণ বয়ন মিলাই

পাৱত চাৰি পদাৰথ লোই।।

অৱ সোহিদেৱ দেৱ মুৰাৰি।

ভক্ত ভয়হাৰী।।

ভয়ো অৱতাৰ।

ক্ষিতিকহু ভাৰ।।

সয়ল উতাৰ।

কয়লি গোৱিন্দ যশোমতী লাল।।

নয়ন বিশাল।

ভ্ৰূৱ যুগ গঞ্জি মদনকু চাপ[১]।।

সুৰঙ্গ বয়ন সুচান্দ সুহাস।।

শোভে দন্ত মৌক্তি।

পীতাম্বৰ জ্যোতি।।

শৰীৰ সুশ্যাম[২] সুমঙ্গল ধাম।

উপাম বিহীন।

ৰতন বিভুষণ।।

অঙ্গ শুহাৱত হাৰ।।[৩]

কিৰীটি কেয়ূৰ উজোৰ।

কঙ্কণ বিজোৰ।।

কনক ঝনক ৰতন মঞ্জীৰ।

ঝুৰাৱত উৰে হেমহাৰ।।

হীৰা গজমতি।

উন্নত ৰূপ পেখাই ভুলত চিতি।।

অনঙ্গক দেৱ বিমল।

কমল চৰণ যুগল।।

সুৰাসুৰ নাগ নিসেৱিত।

লক্ষ্মী নিৱাসিত।।[৪]

শোক বিশেষণ দেৱ।।[৫]

ভকত ভয় ভঞ্জন।

ভাৰক ৰঞ্জন।।

চিত্ত বিনোদন।

মোক্ষ নিদান।।[৬]

জগজন জীৱন।

নাথ তোহাৰ।

চৰণ কমল সংসৰত সাৰ।।

সুধাৰস আশ[৭]।।

কৰু মেৰি চিত্ত।।

সাৰঙ্গ নিৱাস তুহো জগবাস।

নকৰ নৈৰাশ।।

হামু তেৰি দাসকো দাস।

তোহাৰি গোসাঞিঁ।

জনমে জনমে ওহি মনকাম।

কহয় মাধৱ সেৱক পাল গোপাল।।

[কহ দীন মাধৱ দাস তোহাৰি।।

সেৱক পাল কৃপাল।

নাৰায়ণ সেৱক পাল দয়াল।।৩।।❍

---

পা. ১।চাস ২।সুশ্যাম শৰীৰ ৩।শ্ৰীপূৰ্ণচন্দ্ৰ গোস্বামী সম্পাদিত ‘শ্ৰীশ্ৰীমাদৱদেৱ বাক্যামৃত’ত (প্ৰথম প্ৰকাশ) পদ কেইফাকি পোৱা নাযায়। ৪।লক্ষ্মী লালিত ৫/৬/৭। পাদ টীকা ৩ দ্ৰষ্টব্য।

## (৪) দেৱ–ভটিমা

জয় জয় কৃষ্ণ কৰহু বহু সেৱ।

জয় জয় দৈৱকী নন্দন দেৱ।।

জয় জয় যো হৰি সত্য স্বৰূপ।

জয় জয় নিৰ্গুণ আতমা ৰূপ।।

জয় জয় গুণ তিনি মায়া বিতাৰি।

জয় জয় সৃষ্টি স্থিতি লয়কাৰী।।

জয় জয় নিৰ্গুণ মুৰুৰি মুৰাৰি।

জয় জয় বিৰিন্দা বিপিনবিহাৰী।।

জয় জয় লীলা পঙ্কজধাৰী।

জয় জয় তাপত্ৰয় অপহাৰী।।

জয় জয় কালিন্দী কুলচাৰী।

জয় জয় ৰঞ্জন গোপকুমাৰী।।

জয় জয় গিৰি মন্দৰধাৰী।

জয় জয় গোকুল জন উপকাৰী।।

জয় জয় কৃষ্ণ মূৰুতি অৱতাৰী।

জয় জয় কুৱলয় জীৱনহাৰী।।

জয় জয় মধু মূৰ নৰক বিদাৰী।

জয় জয় ক্ষিতিতল ভাৰ উতাৰি।।

জয় জয় শঙ্খ চকৰ গদাপাণি।

জয় জয় পীত বসন পৰিধানী।।

জয় জয় সকল নিগম নিৰমাণী।

জয় জয় নিজজন মুকুতি নিদানী।।

জয় জয় জগত জনক নিজধাম।

জয় জয় জগজন পূৰণ কাম।।

জয় জয় যোহি ৰঞ্জত নিজঠাম।

জয় জয় যাকেৰি গুণ অনুপাম।।

জয় জয় ভকতি ৰোচন ৰাম।

জয় জয় ভকত পূৰণ কাম।।

জয় জয় যাকেৰি চৰিত উদাম।

জয় জয় তাৰক যাহেৰি নাম।।

জয় জয় নীল ইন্দীবৰ শ্যাম।

জয় জয় সঙ্গহি গোপ সুঠাম।।

জয় জয় গৰুড়াসন বনমালী।

জয় জয় মৰ্দ্দন বিষধৰ কালী।।

জয় জয় দনুজদলন বলশালী।

জয় জয় অঘ[১] বকাসুৰঘালী।।
জয় জয় দুৰ্জ্জন দুষ্ট নিকালী।
জয় জয় সজ্জন জন প্ৰতিপালী।।
জয় জয় ভকতক মুকুতি নিদানী।
জয় জয় বৰদ বৰদ বৰদানী।।
জয় জয় নন্দ তনয় বৰ বেশী।
জয় জয় মৰ্দ্দন দানৱ কেশী।।
জয় জয় নাশন বীৰবৰ কংস।
জয় জয় পালন যদুবৰ বংশ।।
জয় জয় ৰিপু মৃগ দাৰণ সিংহ।
জয় জয় ৰুক্মিণী পঙ্কজ ভৃঙ্গ।।
জয় জয় ভকত কুমুদ কুল ইন্দু।
জয় জয় জগজন জীৱন বন্ধু।।
জয় জয় ত্ৰিজগত জন উপকাৰী।
জয় জয় দুৰ্গম দুস্তৰ তাৰী।।
জয় জয় সুৰ ৰিপু যূথপনাশী
জয় জয় ৰঞ্জন গোকুলবাসী।।
জয় জয় ভৱ ভয় ভঞ্জন হেতু।

জয় জয় ভৱ সাগৰ তাৰণ সেতু।।

জয় জয় নিজগুণ লুবুধ গোপাল।

জয় জয় পঙ্কজ নয়ন বিশাল।।

জয় জয় যাকেৰি বহু অৱতাৰ।

জয় জয় যাকেৰি পৰম বিহাৰ।।

জয় জয় যো হৰিৰ্ চৰিত্র উদাৰ।

জয় জয় যো হৰি জগত আধাৰ।।

জয় জয় যোহি জগত আদিমূল।

জয় জয় যাহেৰি নাহি সমতুল।।

জয় জয় জীৱক চৈতন্যদাতা।

জয় জয় যো হৰি জগত বিধাতা।।

জয় জয় যো হৰি জগত বিয়াপি।

জয় জয় যো হৰি পাৱন পাপী।।

জয় জয় যো হৰি নিজ অৱতাৰী।

জয় জয় কেশৱ শৰণ তোহাৰি।।

কহয় মূৰুখ মতি মাধৱ দীন।

ভকতি মিনতি মতি সকল বিহীন।।

মাগোঁ ভকতি ৰতি নাহি আন কাম।

ঘনে ঘনে বয়নে বোলহু ৰাম নাম।।৪।।❍

---

পা. ১।বৎস, ২। যাকেৰি

## (৫) দেৱ-ভটিমা

জয় জয় জগত জনক যদুনন্দন বন্দন
বন্দন শিৱ সুৰ ধাতা।
জয় জয় জগজন জীৱন যাদৱ
ভকত মুকুতি পদদাতা।।
জয় জয় কমলাকান্ত কমল দল
কোমল পদ পৰকাশী।
জয় জয় সজ্জন ৰঞ্জন গঞ্জন
দানৱ দৈত্য বিনাশী।।
জয় জয় পাপী পতিত জন পাৱন

ভাৱন ওহি সংসাৰ।

জয় জয় ভৱ ভয় ভঞ্জন ৰঞ্জন

তাৰক চৰিত্ৰ উদাৰ।।

জয় জয় মধুমুৰ নৰক নিৱাৰণ

কুৱলয় ধেনুক নাশী।

জয় জয় গিৰিবৰ ধাৰণ কাৰণ

তাৰণ গোকুলবাসী।।

জয় জয় কংস কেশী বক অন্তক

সন্তক তাৰণ হেতু।

জয় জয় পীতাম্বৰ অধৰ সুন্দৰ

অভয় চৰণ ভৱ সেতু।।

জয় জয় পুতনী কাতন পাতন

ঘাতন কালী নিকালী।

জয় জয় নন্দনন্দন বিৰিন্দা বনচাৰী

বহু বলশালী।।

জয় জয় ৰাম ৰমণ সীতাপতি

বালী বানৰ ঘালী।

জয় জয় ৰাৱণ ৰাক্ষস দাৰণ

সন্ত বিভীষণ পালি।।

জয় জয় সৃষ্টি কৰতা হৰতা

পাতা দেৱক দেৱা।

জয় জয় নখমণি মণ্ডন কান্তি

ভ্ৰান্তি খণ্ডন সেৱা।।

জয় জয় কৰুণা সিন্ধু বন্ধু

সেৱক পালনকাৰী।

জয় জয় শঙ্খ চকৰ কৌমুদী

লীলা পঙ্কজধাৰী।।

জয় জয় মধুৰি মূৰতি মাধৱ

মায়া দমন অনাদি।

জয় জয় দামোদৰ বৰ দায়ক

নায়ক বেদক বাদী।।

জয় জয় মল্ল বিমোড়ণকাৰী

হাৰী পাতকৰাশি।

জয় জয় ভকত বৎসল মন পূৰণ

কুবুজী কংসক দাসী।।

শুন সাধুজন ওহি নাৰায়ণ

ৰহু হৃদি পঙ্কজ ঠাম।

কলিমল মোষণ ৰামক বাণী

জানি নকৰ বিৰাম।।

ভাৰত বৰিষে জনম চিন্তামণি

নৰতনু বিফলেহি যায়।

বয়নে হৰিকো নাম মিলাই

চাৰি পদাৰথ পাই।।

মাধৱ দীন হীন মতি কহয়

ছোড়হু যৱ সৱ কাম।

হৃদয়ে হৰিকো চৰণ মিলাই

ডাকি বোলহু ৰাম ৰাম।।৫।।❍

## (৬) দেৱ-ভটিমা

জয় জয় জয় জগত জীৱন

জয় যাদৱ দেৱ।

তোহাৰি চৰণক ৰেণু শত কোটি

বাৰা[১] পৰি কৰো সেৱ।।

জগতক আদি বেদকবাদী

শিৱ পুৰুষ পুৰাণ।

সুৰ শঙ্কৰ চৰণ কিঙ্কৰ

মহিমা তৱহো নজান।।

ভ্ৰূৱ ভঙ্গে চলিত মায়া

অণ্ড কৰু নিৰমাণ।

ৰোমকূপে[২] কৰত আয়াযাত

ৰেণু পৰমাণ।

চাৰি বেদক ৰতন চূড়ামণি

চৰণ বিকাশ।

জয় জয় জয় জগত জীৱন

জয় জগত নিৱাস।।

ভকত বৎসল জগত মঙ্গল

ৰূপ যাকেৰি নাম।

দুখ মোচন　　　　　কৰত পূৰণ

ভকত জন মন কাম।।

দনুজ দাৰণ　　　　　ভকত জনকো

বন্ধু মুকুতি নিদান।

তোহাৰি চৰণে　　　　মাগো হৰি কৰু

প্ৰেম ভকতি বিধান।।

জগত নায়ক　　　　　মুকুতি দায়ক

জয় জগত আধাৰ।

শ্ৰৱণ কীৰ্ত্তন　　　　　ভকতি যাকেৰি

চাৰি বেদকো সাৰ।।

হামু পাপী　　　　　তেহোঁ হৰি পুনু[৩]

পতিত পাৱন নাম।

ছোড়ি মায়া　　　　　কৰহু দায়া[৪]

নাহি মোহি আন কাম।।

গুণেৰ নাগৰ　　　　　কৰুণা সাগৰ

কৰোহোঁ কাতৰ তোই।

পাৱে পাৰি তেৰি　　　ভকতি মাগো

কৰহু কৰুণা মোই।।

অন্ত্য জাতি তৰত আতি

স্মৰণে যাকেৰি নাম।

জয় জয় হৰি তোহাৰি চৰণে

কৰোহু বহু পৰণাম।।

এ ভৱ ভঞ্জন ভকত ৰঞ্জন

অৰুণ পদ পৰকাশ।

অভয় চৰণে শৰণ মাগোঁ

কৰহু দাসকো দাস।।

বিষয় বিষধৰ দংশিত তনু মেৰি

নাহি চেতন গিয়ান।

কাকু কৰি তেৰি চৰণে মাগোঁ

ভকতি অমিয়া দান।।

দীন দয়াশীল কেশৱ সোহি

মোহ কৰু দূৰ।

ভকত সঙ্গতি ভকতি দানে

মোহি মন কৰু পূৰ।।

দীন মাধৱ দাস কহয়

ছোড়ি সব্ব অব্ব কাম।

আহে সামাজিক লোক সব্ব

ডাকি বোলহু ৰাম ৰাম।।৬।।❍

---

পা. ১। বাৰেক ২। ৰোমৰঙ্কে ৩। তোহো বিয়াপি ৪। কৰু দায়া।

## (৭) দেৱ ভটিমা

জয় জগ জীৱ সনাতন দেৱ।
ব্ৰহ্মা শিৱ চৰণে কৰু সেৱ।।
পাতক ঘাতক যাকেৰি নাম।
তোহাৰি চৰণে কৰহু প্ৰণাম।।
নীল শৰীৰ জলদ কৰু ভাস।
পীত পটাম্বৰ কৰু পৰকাশ।।
অৰৱিন্দ নিন্দি চৰণ কৰু কান্তি।
পদ পঙ্কজ তল অলকত পান্তি।।
ধ্বজ যৱ পঙ্কজ অঙ্কুশ ভাসে।
পেখিতে বজ্ৰ ভকত ভয় নাশে।।
ইন্দু নিন্দি নখচান্দ পৰকাশ।
ভকতক হৃদয় তাপ কৰু নাশ।।
ৰতন উজন্টি অঙ্গুলি দশমাজে।
পদ পঙ্কজ মহ মঞ্জীৰ বাজে।
উৰু কৰীকৰ দুহো বলিত সমান।
বহল নিতম্ব কটি ডমৰুক ঠাম।।
কিঙ্কিণী কনক লম্বি চিৰ পীত।

ৰুচিৰ কাঞ্চী কটি ৰতন জড়িত।।

মনোহৰ নাভি সৰোৰুহ গঞ্জে।

উদৰে ললিত ৰেখা তিনি ৰঞ্জে।।

সিংহবন্ধ কন্ধ বহল বক্ষ মাজে।

কমল শ্ৰীবৎস পান্তি বিৰাজে।।

পদ নখ পৰশি বনহু মালা শোহে।

ভ্ৰমৰা কেলি কৰত মধু লোহে।।

গজমতি হাৰ পেচন্দাৰ লোলে।

পেখিতে ৰূপ ভুৱন মন ভুলে।।

জগতক জীৱ সৱহু একু ঠাম।

কণ্ঠে কৌস্তুভ মণি অনুপাম।।

চতুৰ উজৰ কৰ বৰ ভুজ দণ্ড।

যৈসে নীল মৃণাল খণ্ড।।

বলয়া কঙ্কণ কেয়ূৰ হাতে।

শঙ্খ চক্ৰ গদা পঙ্কজ হাতে।।

কিশলয় কৰ চাৰু অঙ্গুলি পান্তি।

ৰতন অঙ্গুলি নখ চান্দ কৰু কান্তি।।

নিন্দি ইন্দু কোটি বয়ন বিকাশ।

মোতিম দশন মন্দ কৰু হাস।।

আয়ত নেত্ৰ কমল দল পাসি।

মদনক ধেনু সম ভ্ৰূৱ প্ৰকাশি।।

নাশা তিল কুসুম সম শোহে।

চাৰু চিবুক মন আলোভ লোহে।।

মকৰ কুণ্ডল দুহো লম্বিত কৰ্ণ।

তাসু ৰশমি গণ্ডপাণ্ডুৰ বৰ্ণ।।

অলকা কুটিল তিলক কৰু কান্তি।

পেখিতে ভকতৰ তাপ উপশান্তি।।

ৰতন চূড়ামণি কিৰীটি উজ্জ্বল।

তাসু বিকশিত বদন কমল।।

শিৰ ছত্ৰাকৃত কুঞ্চিত কেশ।

কোটি মদন মন মোহন বেশ।।

মাধৱ কহ তুৱা দাসকু দাস।

ঐসন ৰূপ হৃদয়ে কৰু বাস।।

কাকু কৰিয়ো তুৱা চৰণহি লাগোঁ।

মূৰুতি সূৰুতি ভকতি একু মাগোঁ।।

ভকত বৎসল কৰু ঐসন দায়া।

চৰণে শৰণ লেহো ছোড়হ মায়া।।

ভকত সঙ্গে ৰহু মুহ ভৰি নাম।

ভো সামাজিক বোলা ৰাম ৰাম।।৭।।❍

# (৮) দেৱ ভটিমা

জয় জয় কৃষ্ণদেৱ আদি মূল।
নাহি নাহি দেৱ যোহি সমতুল।।
যোহি ৰহত হৃদি পঙ্কজ ঠাম।
সো হৰি চৰণে কৰহোঁ পৰণাম।।
জগত জনক শিৱ পুৰুষ পুৰাণ।
মায়া গুণ তিনি কয় নিৰমাণ।।
সৃষ্টি স্থিতি লয় লীলাকাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি।।
মৎস্য কূৰ্ম্ম আদি যাকেৰি অংশ।
যোহি জনম ভেলি যদুবৰ বংশ।।
দৈৱকী জঠৰে যোহি কৰতু বাস।
সোহি কৰত মুৰুতি পৰকাশ।।
চতুৰ বয়ন সুৰ শঙ্কৰদেৱ।
যাকেৰি চৰণে কৰত নিত্য সেৱ।।
দৈত্য দনুজ কুল নাশনকাৰী।
কৰত মুকুতি নিত্য সোহি মুৰাৰি।।
যাকেৰি তনু নীল জলদক ভাস।

তথি কৰু পীত বসন পৰকাশ।।

শঙ্খ চক্র গদা পঙ্কজধাৰী।

কৰত মুকুতি নিত্য সোহি মুৰাৰি।।

সত্য সনাতন যাকেৰি কায়া।

যোহি অধীন কৰত নিত্য মায়া।।

সনক সনাতন যাক কৰু সেৱা।

মুকুতি বিধান কৰত সোহি দেৱা।।

ব্ৰজকুল কুমুদ ইন্দু মনমালী।

যোহি পায়োভৰে মৰ্দ্দন কালী।।

পূতনি তন শোষণকাৰী।

কৰত মুকুতি নিত্য সোহি মুৰাৰি।।

ধেনুক অঘ বক কেশী বিনাশী।

ৰাখল অনুদিনে গোকুলবাসী।।

যোহি শকত বিঘটনকাৰী।

কৰত মুকুতি নিত্য সোহি মুৰাৰি।।

গো পদৰেণু বিভুষিত অঙ্গ।

কয়লি যোহি ইন্দ্ৰমখ ভঙ্গ।।

বাম হাতে গিৰি মন্দৰধাৰী।

কৰত মুকুতি নিত্য সোহি মুৰাৰি।।

কুৱলয় কংস কেসী মল্ল মোড়।

মাতু পিতু যোহি বন্ধন ছোড়।।

যোহি যদুকুল পালনকাৰী।

কৰত মুকুতি নিত্য সোহি মুৰাৰি।।

সোহি শূৰ মুৰ নৰক নিবাৰি।

কৰু লীলা ক্ষিতিভাৰ উতাৰি।।

ৰিপু যূথপ যোহি কৰু নিৰযাণ।

সোহি কৰত নিত্য মুকুতি বিধান।।

ৰুক্মিণী ৰমণ প্ৰিয়দ বলৰাম।

গোপ ৰমণীজন পূৰণ কাম।

যাকেৰি নাম পাপ কৰু নাশ।

সো হৰি কৰত মুকুতি পৰকাশ।।

শাল্ব শিশুপাল যো কৰু শাতি।

সুদক্ষিণ বাণ জৰাসন্ধ ঘাতি।।

ক্ষিতিকো ভাৰ কয় নিৰযাণ।

সোহি কৰত নিত্য মুকুতি বিধান।।

নৰহৰি মৎস্য কুৰুম হলীৰাম।

সীতাপতি বুদ্ধ বৰাহক নাম।।
কল্কি বামণ ভৃগুপতি অৱতাৰ।
সো হৰি কৰত মুকুতি পৰচাৰ।।
ভো ভো সাধু সভাসদ লোই।
কৰু সাৱধান বচন একু মোই।।
হৰি বিনে দেৱ নাহি নাহি আন।
শাস্ত্ৰ বিচাৰি দেখু পৰমাণ।।
ভাৰত বৰিষে জনৰ নৰকায়ী।
যাকেৰি বিহি বৰ বাঞ্চিত পাই।।
বিফল জীৱন জনম গোৱাই।
বিষয় কাচক মোলে মাণিক বিকাই।।
কলি কল্মষ ঘোৰ পয়োধি উতাৰ।
ভয়ো হৰি ভকতি ধৰম পৰচাৰ।।
সকল ধৰমকহু ৰাজা জানি।
সৱ কাম ছোড়ি জপহু ৰাম বাণী।।
হৰি গুণ নাম ধৰম অনুপাম।
যাকেৰি থিৰ মন মুকুতিক কাম।।
কয় মন থিৰ জপহু ৰাম ৰাম।

মাধৱ কহ ডাকি বোলহু ৰাম।।৮।।❍

## (৯) নাট-ভটিমা

প্ৰাতস[১৬] সময়ে যশোৱা জননী

মুখ চুম্বিত শ্যাম জগাৱনকো।

উঠ মেৰে লাল মদন গোপাল

আৱে তেৰে গোৱাল বলাৱনকো।।

অৱ ৰুটীয়া লেহু মাখন চঙ্কু পূৰি

মুৰুৰী লেহু শ্যাম বজাৱনকো।

বৃন্দাৱন যাহি আনন্দ কৰু

যমুনা তটে ধেনু চৰাৱনকো।।

ছোড়ি ভুৱন চলহু নন্দ নন্দন

গোধন চাৰণ কাৰণ ৰে।

দাম সুদাম সখা সৱ মিলত

আনন্দে গোৱিন্দ খেড়ি খেলাৱত ৰে।।

শত শত বৎস বিমল নৱীন

চৰীন লাৱত ৰে।

শিঙ্গা উপাঙ্গ বেণু মুহ বাজত

হেৰি গোৱাল ভুলাৱত ৰে।।

গিৰিপতি ধ্যান তেজি অৱধান

মুৰৰীক সান বিমোহিত ৰে।

তুহু জগন্নাথকি দাসকি মাধৱ

মুহ ভৰি ৰাম কহাৱত ৰে।।৯।।*❍

---

*মাধৱদেৱৰ স্বৰচিত ভোজন-বিহাৰ ঝুমুৰাৰ ভটিমা।

# সমাপ্ত

জয় গুৰু শঙ্কৰ